**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-11-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

মণিপুৰৰ পৰিস্থিতি ক্ৰমান্বয়ে বেয়াৰ পিনে ঢাল খাইছে। জিৰিবাম জিলাৰ পৰা ছদিন পূৰ্বে তিনিটি শিশু আৰু তিনিগৰাকী মহিলা সন্ধানহীন হোৱাৰ পাছত শেহতীয়াকৈ আটাইকেইগৰাকীৰে মৃতদেহ উদ্ধাৰ হোৱা ঘটনাক কেন্দ্ৰ কৰি ৰাজ্যখনৰ পৰিস্থিতি পুনৰ জটিল হৈ পৰিছে। শুকুৰবাৰে নিশা আৰু শনিবাৰে মৃতদেহকেইটা নদীত উদ্ধাৰ হোৱাৰ পাছত কালিৰে পৰা মেইটেই লোকৰ প্ৰতিবাদত ৰাজ্যখনৰ পৰিস্থিতি উত্তাল হৈ পৰিছে। একাংশ প্ৰতিবাদকাৰীয়ে কালি ৰাজ্যখনৰ দুজন মন্ত্ৰী আৰু তিনিজন বিধায়কৰ বাসগৃহত আক্ৰমণ কৰাৰ পাছত ইম্ফলত সান্ধ্য আইন জাৰি কৰাৰ লগতে চাৰিখন জিলাত ইণ্টাৰনেট সেৱা কৰ্তন কৰি ৰখা হৈছে। উল্লেখযোগ্য যে সোমবাৰে নিৰাপত্তাৰক্ষীৰে হোৱা সংঘৰ্ষত ১০ জন সন্দেহযুক্ত কুকি উগ্ৰপন্থী নিহত হৈছিল। একেদিনাই সন্দেহযুক্ত কুকি উগ্ৰপন্থীয়ে তিনিটি শিশুসহ তিনিগৰাকী মহিলাক অপহৰণ কৰাৰ ঘটনা পোহৰলৈ আহিছিল। ইয়াৰ পাছতে অপহৃতসকলৰ মৃতদেহ উদ্ধাৰ হোৱাত তেওঁলোকক নাৰত উঠাই নি কুকি উগ্ৰপন্থীয়ে নদীত পেলাই দিয়াৰ সন্দেহ কৰা হৈছে। কালি শিলচৰ মেডিকেল কলেজ হাস্পতালৰ মৰ্গত থকা ১০ জন সন্দেহযুক্ত কুকি উগ্ৰপন্থীৰ মৃতদেহ মণিপুৰক গতাই দিয়াক কেন্দ্ৰ কৰিও হাস্পতালখনৰ চৌহদত উত্তাল পৰিস্থিতিৰ সৃষ্টি হয়। একাংশ কুকি লোকে মৃতদেহকেইটা পৰিয়ালৰ লোকক চমজাই দিয়াৰ দাবীৰে প্ৰতিবাদ সাব্যস্ত কৰে।

ইপিনে মণিপুৰত শান্তি শৃংখলা ঘূৰাই আনিবলৈ সুৰক্ষা বাহিনীসমূহক প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ গৃহ মন্ত্ৰালয়ে নিৰ্দেশ দিছে। মন্ত্ৰালয় এটা বিবৃতিযোগে দুয়োটা সম্প্ৰদায়ৰ সশস্ত্ৰ দুষ্কৃতিকাৰী হিংসাত লিপ্ত হোৱাৰ ফলত একাংশ নিৰপৰাধী লোকে প্ৰাণ হেৰুৱাবলগীয়া হৈছে বুলি প্ৰকাশ কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত হিংসা অথবা অশূয়াজনিত কাৰ্যকলাপৰ সৈতে জড়িত লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মন্ত্ৰালয়ে সকীয়াই দিছে। এই সংক্ৰান্তীয় গুৰুত্বপূৰ্ণ গোচৰসমূহ ফলপ্ৰসূ আৰু খৰতকীয়া তদন্তৰ খাতিৰত ৰাষ্ট্ৰীয় তদন্ত সংস্থালৈ হস্তান্তৰ কৰা হৈছে। ইয়াৰ লগতে মন্ত্ৰালয়ে জনসাধাৰণক শান্তি বৰ্তাই ৰাখিবলৈ, কোনো ধৰণৰ উৰা বাতৰিত ভোল নাযাবলৈ আৰু ৰাজ্যখনত শান্তি-শৃংখলা বৰ্তাই ৰখাৰ বাবে সুৰক্ষা বাহিনীৰ সৈতে সহযোগিতা কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০

মৰিগাঁও জিলাৰ আঁহতগুৰিত আজি ৰজত কমল বঁটাপ্ৰাপক চলচ্চিত্ৰ পৰিচালক, অভিনেতা হেমেন দাসৰ প্ৰথম মৃত্যুবাৰ্ষিকী পালন কৰা হয়। এই উপলক্ষে প্ৰয়াত শিল্পীগৰাকীৰ আঁহতগুৰিৰ নিজা বাসভৱনত স্মৃতিচাৰণ আৰু গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। এই সভাখনত কটন বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক ড০ অকুণ্ঠিতা বৰঠাকুৰৰ সম্পাদনা আৰু গৱেষক ছাত্ৰী প্ৰিয়ম ডি জোৎস্নাৰ সহ-সম্পাদনাত প্ৰকাশ কৰা **অনুক্ত** শীৰ্ষক স্মৃতিগ্ৰন্থখন উন্মোচন কৰা হয়। অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজকৰ্মী ৰবীন ডেকা, ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া মাধুৰিমা বৰুৱা সেন, তেজপুৰ বিশ্ববিদ্যালয়ৰ সংস্কৃতি অধ্যয়ন বিভাগৰ প্ৰাক্তন মুৰব্বী সুনীল কুমাৰ দত্ত, অভিনেত্ৰী সীতাৰাণী হাজৰিকা, চলচ্চিত্ৰ পৰিচালক সঞ্জীৱ সভাপণ্ডিত, আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ প্ৰচাৰণ কাৰ্যবাহী ইন্দ্ৰজিৎ দাস প্ৰমুখ্যে কেইবাজনো বিশিষ্ট ব্যক্তিয়ে গ্ৰন্থ উন্মোচন কৰে। সভাত সকলোৱে হেমেন দাসৰ স্মৃতি যুগমীয়া কৰাৰ বাবে তেওঁ লিখা চিনেমা বিষয়ক প্ৰবন্ধৰ সংকলন প্ৰকাশ কৰা আৰু

এখন তথ্যচিত্ৰ নিৰ্মাণ কৰি নতুন প্ৰজন্মক হেমেন দাসৰ বহুমুখী প্ৰতিভাৰ বিষয়ে জনোৱা তথা গৱেষণাৰ বাট মুকলি কৰাৰ বাবে আলোকপাত কৰে।

০০০০০০

নগাঁৱৰ আগশাৰীৰ শিক্ষানুষ্ঠান নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ ১৫৯ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৱা কাৰ্যসূচীৰে উদযাপন কৰা হয়। এই উপলক্ষে বিদ্যালয়ৰ চৌহদত স্থানীয় বিধায়ক ৰূপক শৰ্মাই প্ৰতিষ্ঠা দিৱসৰ পতাকা উত্তোলন কৰে। ইয়াৰ পাছতে আয়োজিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বিদ্যালয়খনৰ প্ৰতিষ্ঠা কালৰ পৰা জড়িত শিক্ষাগুৰু আৰু ব্যক্তিসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি শোভাযাত্ৰা উলিওৱাৰ লগতে বিদ্যালয়ৰ প্ৰাংগণত নতুনকৈ নিৰ্মাণ কৰা দুমহলীয়া অতিৰিক্ত শ্ৰেণীকোঠাৰ উন্মোচন কৰা হয়। স্থানীয় বিধায়ক শ্ৰী শৰ্মাই শ্ৰেণীকোঠাৰ দ্বাৰ উন্মোচন কৰে। আজিৰ এই অনুষ্ঠানত বিদ্যালয়খনৰ বৰ্তমানৰ অধ্যক্ষ বসন্ত গোস্বামী, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ লগতে প্ৰাক্তন অধ্যক্ষ, প্ৰাক্তন শিক্ষাগুৰু আৰু প্ৰাক্তন শিক্ষাৰ্থী উপস্থিত থাকে।

০০০০০০

গোলাঘাট জিলাৰ দেৰগাঁৱত তিনিদিনীয়াকৈ আয়োজিত দেৰগাঁও সাহিত্য সভাৰ শতবৰ্ষৰ সামৰণি অনুষ্ঠানৰ আজি অন্তিম দিনা মুকলি সভা অনুষ্ঠিত হয়। এই সভাখনত অসম সাহিত্য সভাৰ সভাপতি ড০ সূৰ্যকান্ত হাজৰিকা, সাহিত্য একাডেমী বঁটাপ্ৰাপক জয়ন্তমাধৱ বৰা, কৃষিমন্ত্ৰী অতুল বৰাৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাখনত ভাষাতত্ত্ববিদ ড০ নগেন ঠাকুৰক নীলমণি ফুকন বঁটা প্ৰদান কৰা হয়। ইপিনে অসম সাহিত্য সভাৰ সভাপতি ড০ হাজৰিকা আৰু বিশিষ্ট ব্যক্তিসকলে কৃষি সম্বন্ধীয় এখন বিশ্বকোষ প্ৰকাশ কৰা বিষয়টো কৃষিমন্ত্ৰীগৰাকীয়ে গুৰুত্বসহকাৰে লয়।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে নিৰপেক্ষ বিশেষজ্ঞ দলৰ দ্বাৰা জলজীৱন আঁচনিৰ ক্ষেত্ৰভিত্তিক নিৰীক্ষণৰ কাম আৰম্ভ কৰিছে। এই কাৰ্যসূচীৰ অধীনত মাদ্ৰাছৰ আই আই টিৰ বিশেষজ্ঞ এটা দলে আজি নগাঁও জিলাৰ বহুকেইখন আঁচনি নিৰীক্ষণ কৰে। জিলাখনৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অন্তৰ্গত নগাঁও সংমণ্ডলৰ জুৰিয়া, দলংঘাট, ৰূপহী, পাখিমৰীয়া আৰু কঠিয়াতলি উন্নয়ন খণ্ডৰ অন্তৰ্গত জলজীৱনৰ কেইবাখনো আঁচনি দলটোৱে নিৰীক্ষণ কৰে। মাদ্ৰাছৰ আই আই টিৰ দলটোক জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা গগন তালুকদাৰ আৰু সহকাৰী কাৰ্যবাহী অভিযন্তা ৰূপজ্যোতি বৰদলৈয়ে সংগ দিয়ে। আই আই টিৰ বিশেষজ্ঞ দলটোৱে আঁচনিসমূহ নিৰীক্ষণ কৰাৰ লগতে পানী উপভোক্তা কমিটী, আত্মসহায়ক গোটৰ সদস্য, আশাকৰ্মী, অংগনৱাড়ী কৰ্মী আৰু জলদূতসকলৰ সৈতে মত বিনিময় কৰে।

০০০০০০০

যোৰহাটৰ ম'হবন্ধা এৰালতলি পথাৰত অহা বছৰৰ ৬ ফেব্ৰুৱাৰীৰ পৰা হ'বলগীয়া শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক অধিৱেশনৰ লাইখুঁটা আজি স্থাপন কৰা হয়। লাইখুঁটা স্থাপন উপলক্ষে অনুষ্ঠিত মুকলি সভাত বিত্তমন্ত্ৰী অজন্তা নেওগ, কৃষিমন্ত্ৰী অতুল বৰা, কাজিৰঙা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ লগতে জিলা আয়ুক্ত উপস্থিত থাকে। বিভিন্ন প্ৰান্তৰ পৰা অহা ভক্তৰ উপস্থিতিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকাই লাইখুঁটা স্থাপন কৰে।

০০০০০০

**সমাপ্ত**